**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১২/২০২০**

## বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে পুৰস্কাৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে
## জীৱনত সফলতা আহৰণ কৰিবলৈ হ'লে উৎসৰ্গিত মনোভাৱ, শৃংখলাবদ্ধতা আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** 'জীৱনত সফলতা আহৰণ কৰিবলৈ হ'লে উৎসৰ্গিত মনোভাৱ, শৃংখলাবদ্ধতা আৰু কঠোৰ পৰিশ্ৰমক আধাৰ হিচাপে ল'ব লাগিব।' সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে নিউজ -১৮, আসাম এন ইয়ে গুৱাহাটীত আয়োজন কৰা 'ঐক্যতান' শীৰ্ষক অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেতবোৰ বিশেষ গুণ আহৰণ কৰিব নোৱাৰিলে মানুহে জীৱনত সফলতা লাভ কৰিব নোৱাৰে। শৃংখলাবদ্ধতা, উৎকৰ্গিত মনোভাৱ আৰু কঠিন পৰিশ্ৰমৰ লেখীয়া গুণৰ জৰিয়তেহে মানুহে সহজে সফলতা লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় মানুহ মৰণশীল। কিন্তু ভাল কাম যুগে যুগে অমৰ। মৃত্যুৰ পিছতো সেই সকল ব্যক্তিৰ জীৱনে মানুহক প্ৰভাৱিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে সমাজৰ সকলোকে বিশেষকৈ যুৱ প্ৰজন্মৰ লোকসকলক ভাল কামৰ জৰিয়তে সমাজ জীৱনলৈ অৱদান আগবঢ়াবলৈ আহ্বান জনায়। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে নিউজ-১৮, আসাম এন ইয়ে পুৰষ্কাৰ প্ৰদান কৰা কাৰ্যক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এনেকুৱা প্ৰয়াসে ব্যক্তি তথা সংগঠন সমূহক অধিক দায়বদ্ধ আৰু মানবীয়তাৰে সেৱা আগবঢ়াবলৈ প্ৰেৰণা যোগাব।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দিলীপ চন্দ্ৰ নাথ, আই পি এছ বিষয়া আনন্দ প্ৰকাশ তিৱাৰী, উদ্যোগপতি প্ৰমুখ্যে বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০ গৰাকী ব্যক্তিক পুৰস্কাৰ প্ৰদান কৰে।

**সুঃদঃ / পুঃডেঃ**
**১৩/১/২০২০**